**Lang. Code : 03**

इस पुस्तिका में **20** पृष्ठ हैं ।
This booklet contains **20** pages.

# ATA-19-II

**प्रश्न-पत्र II / PAPER II**
**असमी भाषा परिशिष्ट**
**Assamese Language Supplement**
**भाग IV & V / PART IV & V**

**परीक्षा पुस्तिका संकेत**
**Test Booklet Code**

**E**

**परीक्षा पुस्तिका संख्या**
**Test Booklet No.**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20)पर दिए निर्देशों को ध्यान से पढ़ें ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें । / For instructions in Assamese see Page 2 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **E** । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **E**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) ____________________
Roll Number : in figures
: (शब्दों में) ____________________
: in words
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________ निरीक्षक के हस्ताक्षर : ____________
Candidate's Signature : Invigilator's Signature :
Facsimile signature stamp of
Centre Superintendent ____________________

**E**

**Lang. Code : 03**

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

# ATA-19-II

**কাকত II**

## অসমীয়া ভাষা

**খণ্ড IV & V**

পৰীক্ষা বহীখনৰ কোড

**E**

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা*** :

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি অসমীয়া ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I পৰা II **বা** III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰি'বাঁ ।
5. এইখন ভাষা বহীৰ কোড হ'ল **E** . এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :
   খণ্ড IV : ভাষা I — (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*
   খণ্ড V : ভাষা II — (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ : সংখ্যাৰে : ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of

Centre Superintendent ____________________

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (**প্ৰশ্ন নং 91**-ৰ **পৰা 120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

## Part – IV / ভাগ – IV
## Language – I / ভাষা – I
## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (**প্ৰশ্ন নং 91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

**নিৰ্দেশ :**

**তলত দিয়া ৰচনাখণ্ড মনোযোগেৰে পঢ়াঁ আৰু তাৰ পৰা দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 91 ৰ পৰা 99 লৈ) বিপৰীতে দিয়া বিকল্পসমূহৰ মাজৰপৰা শুদ্ধ বিকল্পটো চিনাক্ত কৰাঁ**

যোৰহাট জিলাৰ পশ্চিম আৰু নগাঁও জিলাৰ পূব ফালৰ প্ৰায় ৪০০ বৰ্গ কিলোমিটাৰ ঠাই জুৰি এই উদ্যান বিস্তৃত । ইয়াৰ পূবে বোকাখাট আৰু পশ্চিমে - বুঢ়াপাহাৰ। উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে কাৰ্বি আংলং। ৩৭ নং ৰাষ্ট্ৰীয় পথটোৱে ইয়াৰ দক্ষিণ সীমা ছুই গৈছে। ব্ৰিটিছৰ দিনতে ইয়াক সংৰক্ষিত বনাঞ্চল ঘোষণা কৰা হৈছিল । স্বাধীনোত্তৰ কালত ইয়াক প্ৰথমে অভয়াৰণ্য আৰু পিছত ৰাষ্ট্ৰীয় উদ্যানত পৰিণত কৰা হয়। ই এখন পৃথিৱী-বিখ্যাত ৰাষ্ট্ৰীয় উদ্যান । সংৰক্ষিত বনাঞ্চলত মানুহক বসতি কৰিবলৈ আৰু চৰকাৰৰ অনুমতি নোহোৱাকৈ গছ-বিৰিখ কাটিবলৈ দিয়া নহয় । ইয়াৰ উপৰিও অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত জন্তু-জানোৱাৰ চিকাৰ কৰাও নিষিদ্ধ।

কাজিৰঙাত নানান জীৱ-জন্তু, চৰাই-চিৰিকটি আদি দেখিবলৈ পোৱা যায় । আজি-কালি লুপ্ত হোৱা দেওবাজ হাঁহ আৰু ৰাংকুকুৰো ইয়াত আছিল হেনো । হাতী, বাঘ, গাহৰি, পহু, বনৰীয়া ম'হ, মেঠোন, গঁড় আদি জন্তু ইয়াত পোৱা যায় । কাজিৰঙা ঘাইকৈ গঁড়ৰ কাৰণে বিখ্যাত। মানাহতো গঁড় আছে। গঁড় ধৰি বিভিন্ন দেশৰ চিৰিয়াখানালৈ পঠোৱা হয়। অসমৰ গঁড়ৰ এটাকৈ খৰ্গ থাকে। জন্তু-জানোৱাৰৰ উপৰিও অসমত থকা প্ৰায় সকলো চৰাইকে ইয়াত দেখিবলৈ পোৱা যায় । পানীত নানা ৰকমৰ মাছ-কাছ আদিৰ বাহিৰেও সাপ-সৰীসৃপ-শিহু-ঘৰিয়াল আদি ঢেৰ আছে। ইয়াত পিটনি, জলাশয় আদিও আছে । নানা গছ-গছনি, নল-খাগৰি, ইকৰা, খেৰ, ঘাঁহনি আদিও আছে। এইবোৰত চৰাই চিৰিকটি, জন্তু-জানোৱাৰ, মাছ-শিহু আদিয়ে স্বচ্ছন্দে বিচৰণ কৰি ফুৰে।

ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যও বৰ মনোৰম আৰু উপভোগ্য । বিস্তীৰ্ণ ঘাঁহনি-বননিৰ শ্যামলিমা, সূৰ্যোদয় আৰু সূৰ্যাস্তৰ ৰাঙলী আভাই মানুহৰ মন ৰঙাই তোলে। ব্ৰহ্মপুত্ৰৰ পাৰৰপৰা বলা মৃদু, মধুৰ সমীৰণে দেহ শাঁত পেলায়। হাবিৰ মাজৰ জীৱ-জন্তুৰ যথেচ্ছা গমন, পানীৰ মাছ-কাছৰ বিহাৰ চাই আৰু চৰাই-চিৰিকটিৰ কুজন, জিলিৰ মাত শুনি বিমুগ্ধ নহ'ব কোন ? সেইবাবেই এই ৰাষ্ট্ৰীয় উদ্যান চাবলৈ নানান ঠাইৰ নানান মানুহ আহে। প্ৰকৃতি-প্ৰেমী আহে, প্ৰাণী-বিশেষজ্ঞ আহে, কেমেৰা লৈ ছবি তোলা মানুহ আহে, আহে কৌতূহলী জনতাৰ বিভিন্ন দল, উপদল । খৰালি কালছোৱাত বন-ভোজ খাওঁতা লোকৰো প্ৰচুৰ সমাগম হয়।

দেশ-বিদেশৰ পৰ্যটকসকলৰ কাৰণে চৰকাৰৰ পৰ্যটন বিভাগৰপৰা নানা সা-সুবিধা আৰু সেৱা আগবঢ়াইছে । যাতায়াতৰ সুবিধা কৰি দিছে, থকা-মেলাৰ বাবে আধুনিক আদৱ-কায়দাৰ পৰ্যটক-নিৱাসৰ ব্যৱস্থা কৰিছে। মাজে মাজে আলিবাট আছে, জিৰণি-ঘৰ আছে । হাতীত উঠি গোটেই উদ্যান পৰ্যটন কৰিব পৰাৰো ব্যৱস্থা আছে । তথাপিও ইয়াক আৰু অধিক উন্নত আৰু আকৰ্ষণীয় কৰাৰ প্ৰয়োজনীয়তা আছে।

**91.** ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত কাজিৰঙাই লাভ কৰা শেহৰ স্বীকৃতিটো হৈছে -

(1) সংৰক্ষিত বনাঞ্চল

(2) অভয়াৰণ্য

(3) ৰাষ্ট্ৰীয় উদ্যান

(4) সংৰক্ষিত উদ্যান

**92.** ‘সুৰ্যোদয়’ শব্দটোত ব্যাকৰণৰ কোনটো নিয়ম পোৱা যায় -

(1) সন্ধি

(2) সমাস

(3) সমাসোক্তি

(4) সমীভৱন

**93.** কাজিৰঙা আৰু মানাহত পোৱা আপুৰুগীয়া প্ৰাণীটো কি ?

(1) দেওবাজ হাঁহ

(2) ৰাংকুকুৰ

(3) গঁড়

(4) হাতী

**94.** ‘বনৰীয়া ম’হ’ বোলোঁতে -

(1) ‘বনৰীয়া’ বিশেষ্য ‘ম’হ’ সৰ্বনাম

(2) ‘বনৰীয়া’ বিশেষণ ‘ম’হ’ বিশেষ্য

(3) ‘বনৰীয়া’ অব্যয় ‘ম’হ’ বিশেষ্য

(4) ‘বনৰীয়া’ সৰ্বনাম ‘ম’হ’ বিশেষণ

**95.** কৌতুহলী, খাওঁতা, এই শব্দকেইটাৰ মূল হ’ল কৌতুল আৰু খা। ইয়াত কি যোগ হৈ উল্লিখিত প্ৰথম ৰূপকেইটা গঠন হৈছে ?

(1) পৰসৰ্গ

(2) প্ৰত্যয়

(3) উপসৰ্গ

(4) ধাতু

**96.** কাজিৰঙা ফুৰিবলৈ কোন বিভাগে সহায় কৰি দিয়ে ?

(1) বন বিভাগ

(2) পৰ্যটন বিভাগ

(3) সাংস্কৃতিক পৰিক্ৰমা বিভাগ

(4) মানৱ সম্পদ বিভাগ

**97.** মানুহৰ বসতি কৰিবলৈ, চৰকাৰী অনুমতি নোহোৱাকৈ গছ বিৰিখ কাটিবলৈ আৰু জন্তু চিকাৰ কৰিবলৈ ক’ত দিয়া নহয় ?

(1) মানাহত

(2) কাজিৰঙাত

(3) সংৰক্ষিত বনাঞ্চলত

(4) ৰাষ্ট্ৰীয় উদ্যানত

**98.** “হাবিৰ মাজৰ জীৱ-জন্তুৰ যথেচ্ছা গমন” – বাক্যৰ এই অংশটিৰ অৰ্থ কি ?

(1) জীৱজন্তুৰ স্বাধীন বিচৰণ

(2) জীৱজন্তুৰ সাৱধানী বিচৰণ

(3) জীৱজন্তুৰ সন্ত্ৰস্ত বিচৰণ

(4) জীৱজন্তুৰ আমোদজনক বিচৰণ

**99.** কাজিৰঙাৰ উত্তৰ, দক্ষিণ, পূৰ আৰু পশ্চিমত একাদিক্ৰমে আছে -

(1) বোকাখাট, বুঢ়াপাহাৰ, ব্ৰহ্মপুত্ৰ আৰু কাৰ্বি আংলং

(2) ব্ৰহ্মপুত্ৰ, বোকাখাট, কাৰ্বি আংলং আৰু যোৰহাট

(3) যোৰহাট, নগাওঁ, ৩৭ নং ঘাইপথ আৰু বোকাখাট

(4) ব্ৰহ্মপুত্ৰ, কাৰ্বি আংলং, বোকাখাট আৰু বুঢ়া পাহাৰ

নিৰ্দেশ : তলত উল্লেখ কৰা কবিতাটো পঢ়ি নিম্নোক্ত প্ৰশ্নবোৰৰ (প্ৰশ্ন নং 100-ৰ পৰা 105 লৈ) উত্তৰ স্বৰূপে শুদ্ধ বিকল্পটো চিনাক্ত কৰাঁ -

বকুল সৰা বাটৰ ধূলিত
চৰণ-মোহৰ পৰে ।
কাৰ চৰণ মোহৰ পৰে
কাৰ গানৰ সুৰত (আজি)
তৰু-লতা লৰে ।
সজল মেঘৰ গভীৰ গানে
শ্যামল দেশৰ বাৰ্তা আনে,
বিশ্ব উটি প্ৰাণে প্ৰাণে
গহীন মধুৰ কৰে ।
বৰ্ষা ৰাণীৰ পৰশ লাগি
ম'ৰাৰ নাচোন উঠে জাগি,
কঙাল মনে ভিক্ষা মাগি
বৃষ্টি ধাৰা ধৰে ।।
ভূবন-ভৰা তোমাৰ বাণী
মেঘৰ-বুকুত কোনে সানি-
বৃষ্টি ধাৰা দিলে মেলি
সৃষ্টি জৰি পৰে ।
তোমাৰ বাণী মেঘত নামি
(কেৰল) টোপে টোপে সৰে ।।

**100.** 'চৰণ-মোহৰ' মানে কি বুজোৱা হৈছে ?

(1) ভৰিৰ খোজৰ চিন

(2) চৰণৰ চিন থকা মোহৰ

(3) ভৰিৰ তলত পৰা মোহৰ

(4) চৰণৰ আকাৰৰ দৰে মোহৰ

**101.** "শ্যামল দেশৰ বাৰ্তা আনে ।" - ইয়াত শ্যামল এটা –

(1) বিশেষ্য

(2) বিশেষণ

(3) সৰ্বনাম

(4) অব্যয়

**102.** "কঙাল মনে ভিক্ষা মাগি" বাক্যাংশৰ 'কঙালমন' অংশৰ অভিপ্ৰেত তাৎপৰ্যৰ ওচৰ চপা অৰ্থটো হৈছে -

(1) ৰিক্ত মন

(2) বিষাদগ্ৰস্থ মন

(3) নিঃস্ব মন

(4) হতাশ মন

**103.** লৰে, কৰে, ধৰে আদিত কি বিভক্তি যোগ হৈছে ?

(1) প্ৰথমা

(2) চতুৰ্থী

(3) ষষ্ঠী

(4) সপ্তমী

104. "সজল মেঘৰ গভীৰ গানে

শ্যামল দেশৰ বাৰ্তা আনে" — এই পংক্তিটোৰ তাৎপৰ্যৰ ওচৰ চপা অৰ্থ হৈছে -

(1) বৰষুণে প্ৰকৃতি সেউজীয়া হোৱাৰ সম্ভাৱনা কঢ়িয়াই আনে।

(2) প্ৰকৃতি সেউজীয়া হ'বলৈ বৰষুণ লাগে।

(3) শ্যামল দেশে সজল মেঘৰ গান শুনি নাচি উঠে।

(4) শ্যামল দেশৰ বাতৰি বিচাৰি মেঘে গান গায়।

105. চঞ্চল, ধ্বংশ, কঙাল শব্দকেইটাৰ বিপৰীত শব্দকেইটা একাদিক্ৰমে -

(1) শান্ত, গঢ়, ভিখাৰী

(2) শান্ত, সৃষ্টি, ধনী

(3) প্ৰগল্‌ভ, সৃষ্টি, দৰিদ্ৰ

(4) নিশ্চল, সৃষ্টি, স্বচ্ছল

তলত 106-ৰ পৰা 120 নং প্ৰশ্নলৈকে প্ৰদত্ত বিকল্পৰ মাজৰ পৰা শুদ্ধ উত্তৰটো চিনাক্ত কৰাঁ —

106. দক্ষ পঠন (Skilled Reading) নহয় —

(1) গঠনমূলক (constructive)

(2) কল্পনামূলক (imaginative)

(3) বিকাশমূলক (progressive)

(4) চিন্তামূলক (deliberate)

107. তলৰ কোনটো বিস্তৃত অধ্যয়নৰ (Extensive reading) সৈতে জড়িত নহয় ?

(1) ই পঠনৰ আনন্দ ব্যাপকৰূপত প্ৰদান কৰে।

(2) ই গভীৰ অৰ্থবোধৰ বাবে সুক্ষ্মতম সবিশেষসহ অধ্যয়নৰ সুবিধা দিয়ে।

(3) ই ভাষা শিকনৰ উত্তৰণ ঘটায়।

(4) ই পাঠৰ সামগ্ৰিক বোধৰ বাবে কৰা পঠন।

108. লিখনৰ পদ্ধতিগত দৃষ্টিভংগীয়ে (Process approach of writing) গুৰুত্ব দিয়ে -

(1) পদ্ধতিৰ ওপৰত

(2) উৎপাদনৰ ওপৰত

(3) পদ্ধতি আৰু উৎপাদন দুয়োটাৰে ওপৰত

(4) ভাল হাতৰ আখৰ ব্যৱহাৰৰ ওপৰত

109. সাহিত্যিক ভাষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্তিকৰণৰ ক্ষেত্ৰত তলৰ কোনটো কম গুৰুত্বপূৰ্ণ ?

(1) ই মাত্ৰ শ্ৰৱণ আৰু কথন দক্ষতা বৃদ্ধিত গুৰুত্ব দিয়ে।

(2) ই এক প্ৰমাণসিদ্ধ সমল।

(3) ই ছাত্ৰ-ছাত্ৰীক আন সংস্কৃতি সম্পৰ্কে জ্ঞান লাভত সহায় কৰে।

(4) ই ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত সঁহাৰি প্ৰদানত সহায় কৰে।

**110.** তলৰ কোনটো মন্তব্য শুদ্ধ ?

(1) যতি চিহ্নই (Punctuation) বাক্যৰ অৰ্থ সলনি কৰে।

(2) যতি চিহ্নই কেতিয়াবাহে বাক্যত কিবা পৰিৱৰ্তন কৰে।

(3) যতি চিহ্নই পাঠ এটাৰ সৌন্দৰ্য বৃদ্ধি কৰাত সহায় কৰে।

(4) যতি চিহ্নই পাঠ এটাৰ পঠন প্ৰবাহ বাধাগ্ৰস্থ কৰে।

**111. শিক্ষাৰ্থীৰ লেখন মূল্যায়নৰ ক্ষেত্ৰত অতি গুৰুত্ব সহকাৰে চাবলগীয়া দিশটো হ'ল**

(1) বৰ্ণাশুদ্ধি আৰু ব্যাকৰণ

(2) ভাবনাৰ উপস্থাপন

(3) শব্দৰ সীমাৱদ্ধতা ৰক্ষণ

(4) লিখনৰ ক্ষেত্ৰত জটুঁৰা ঠাঁচ আৰু খণ্ডবাক্য প্ৰয়োগ

**112. NCF-2005 ৰ নিৰ্দেশাৱলীত তলৰ কোনটো অন্তৰ্ভূক্ত নহয় ?**

(1) বিদ্যালয়ৰ বাহিৰত জীৱনৰ সৈতে জ্ঞানৰ সম্পৰ্ক স্থাপন কৰা।

(2) পুনৰাবৃত্ত প্ৰক্ৰিয়াৰ (rote method) পৰা শিকনক আঁতৰাই অনাটো নিশ্চিত কৰা।

(3) পাঠ্যক্ৰম পাঠ্যপুথিকেন্দ্ৰিক হ'ব লাগে।

(4) পৰীক্ষা অধিক নমনীয় আৰু শ্ৰেণীকোঠাৰ জীৱনৰ সৈতে সংহত (integrated) কৰা।

**113. কি ঘটিছিল, কেতিয়া ঘটিছিল, ক'ত ঘটিছিল, কাৰ্যটিৰ উত্তেজক (stimulus) আৰু কেনেদৰে কাৰ্যটি সমাপ্ত হল - এই সকলো কথা সামৰি তথ্য সমৃদ্ধ ৰূপত শব্দৰ যোগেদি কৰা বৰ্ণনাক কোৱা হয় -**

(1) প্ৰকল্প

(2) প্ৰদত্ত কাৰ্য

(3) চমু বৃত্তান্ত নথিভূক্তিকৰণ (anecdotal record)

(4) নিৰূপক মাপনি (rating scale)

**114. শিক্ষাৰ্থীৰ ভাষা শিকন কিধৰণেৰে হৈছে জুখিবৰ বাবে তলৰ কোনটো সূচক উপযুক্ত হ'ব পাৰে ?**

(1) পৰীক্ষাৰ নম্বৰ

(2) শিক্ষাৰ্থীয়ে লিখন আৰু কথনত ব্যৱহাৰ কৰা ভাষা

(3) ৰাষ্ট্ৰীয় পাঠ্যক্ৰম (curriculum) আৰু পাঠ্যতালিকা (syllabi) সম্পৰ্কীয় জ্ঞান

(4) ভাষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বুজা

**115. ৱিইগৎস্কীৰ (Vygotsky) স্কাফ'ল্ডিং প্ৰমেয় (Scaffolding hypothesis) মতে এগৰাকী শিক্ষকে ভাষাৰ শিক্ষাৰ্থীসকলক দুজনীয়াকৈ বা গোট বান্ধি কাম কৰাৰ সুযোগ দিব লাগে। কাৰণ,**

(1) তেতিয়া শিক্ষকে সুচাৰুভাবে কাৰ্যটি চলাব পাৰে।

(2) ছাত্ৰ-ছাত্ৰীৰ মাজত চলা ভাব বিনিময়ে শিক্ষকক সকাহ দিয়ে।

(3) সামূহিক ভাব বিনিময়ে শিকনৰ উদ্‌গমন ঘটাব পৰাকৈ প্ৰকৃত অৰ্থৰ সন্ধান দিয়ে।

(4) এনে সামূহিক ভাৱ বিনিময়ে ছাত্ৰ-ছাত্ৰীক ভাষা-শিকনৰ পৰা নিলগাই আনে।

**116.** **ভাষা শিক্ষণৰ আৰম্ভণিতে প্ৰাথমিক ধ্বনি আৰু তাৰ মিশ্ৰৰূপ সমূহতকৈ সৰল বাক্যহে শিকোৱা হয়। ই সূচায় যে,**

(1) যোগাযোগ সম্পূৰ্ণ বাক্যৰ ওপৰত নিৰ্ভৰশীল ।

(2) ভাষা আহৰণৰ ক্ষেত্ৰত উচ্চাৰণৰ কোনো গুৰুত্ব নাই।

(3) ভাষা শিকনৰ ক্ষেত্ৰত ব্যাকৰণ আৰু উচ্চাৰণ দুয়োটাৰে গুৰুত্ব সমান।

(4) যোগাযোগৰ বাবে ব্যাকৰণ এক শক্তিশালী ভেটি স্বৰূপ।

**117.** **সপ্তম শ্ৰেণীৰ এগৰাকী ভাষা শিক্ষকে দৃষ্টিক্ষমতাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে YouTubeঅৰ ভি.ডি.অ', শ্ৰৱনানুভূতিসম্পন্ন শিক্ষাৰ্থীৰ বাবে বাণীবদ্ধ ৰূপৰ পাঠ আৰু স্পৰ্শানুভূতিসম্পন্নসকলৰ বাবে ভাৱ বিনিময়ক্ষম খেল ব্যৱহাৰ কৰে। শিক্ষকে ব্যৱহাৰ কৰা এই মাল্টিমেডিয়া সমূহে ব্যক্তিৰ কি বিষয়ক গুৰুত্ব দিয়ে ?**

(1) ভাষিক পাৰ্থক্য

(2) শিকনৰ ধৰণ

(3) শিকনৰ অপাৰগতা

(4) প্ৰত্যয়জনক সামগ্ৰী

**118.** **শিক্ষণৰ দৃষ্টিৰে এগৰাকী ভাষা-শিক্ষকে শিশুৰ ভুলসমূহ চাব লাগে -**

(1) শিকনৰ অন্তৰায় আৰু বাধা ৰূপে।

(2) চিন্তাক অন্তৰ্দৃষ্টি (insight) প্ৰদান কৰা শিকনৰ এক অংশ ৰূপে ।

(3) এনেকুৱা এটা কথা যিটো শুধৰণিৰ প্ৰয়োজন আৰু পুনৰাবৃত্তি ৰোধ কৰা দৰকাৰ।

(4) শিকনৰ ক্ষেত্ৰত তৎকালীনভাৱে শুধৰাবলগীয়া অসাৰধানতা ৰূপে।

**119.** **গভীৰ শ্ৰৱণে (Intensive listening) শ্ৰৱণৰ ক্ষেত্ৰত সূচায় -**

(1) মনোযোগ (attention)

(2) ধৈৰ্য (patience)

(3) শৃংখলাবদ্ধতা (discipline)

(4) উত্তৰণ (Improvement)

**120.** **নিৰৱ পঠনৰ যোগেদি শিক্ষাৰ্থীয়ে তলৰ কোনটো কথা কমকৈ আহৰণ কৰিব পাৰে ?**

(1) শব্দভাণ্ডাৰ

(2) ব্যাকৰণ

(3) কথন কৌশল

(4) পঠন কৌশল

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (**প্ৰশ্ন নং 121**-ৰ **পৰা 150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

## Part – V / ভাগ – V
## Language – II / ভাষা – II
## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ **(প্ৰশ্ন নং 121-ৰ পৰা 150 লৈ)** উত্তৰ কৰিব ।

**নিৰ্দেশ : তলত দিয়া দফাটো মনোযোগেৰে পঢ়ি প্ৰশ্ন নং 121-ৰ পৰা 128 লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ ।**

জয়সাগৰৰ প্ৰাকৃতিক দৃশ্য অতিকৈ মনোৰম । পাৰত বহি বহি আমি এই দৃশ্য উপভোগ কৰিছিলোঁ । মেঘমুক্ত আকাশৰ নীলা ৰং আহি পুখুৰীৰ পৰিপূৰ্ণ পানীত পৰি গোটেই পুখুৰীটোৰ পানীয়ে নীলিমাময়ী হৈ পৰিছিল । মাজে মাজে পুখুৰীৰপৰা বৈ অহা বতাহজাকে ঘামত তিতি থকা আমাৰ গা শাত পেলাইছিল । বতাহৰ কোবত পুখুৰীৰ পানীত সৰু বৰ ঢৌৰ 'চিম্ফণী' উঠিছিল । মনত পৰিছিল কবি দেৱকান্ত বৰুৱাৰ সেই বিখ্যাত কবিতাটিলৈ "সাগৰ দেখিছা ? দেখা নাই ? ময়ো দেখা নাই..... ।" জয়সাগৰৰ পাৰত থকা আকাশলঙ্ঘী জয়দ'লটি দেখি আমাৰ বৰপেটাৰ কীৰ্তন ঘৰৰ কাষত থকা দ'লটিৰ কথাও মনত পৰিছিল । দ'লৰ ওপৰত খোদিত কৰা চিত্ৰকলাই অসমীয়া শিল্পীৰ কাৰু-কাৰ্যৰ কথা যুগ যুগ ধৰি সোঁৱৰাই থাকিব ।

শিৱসাগৰৰ অইন এটি চাবলগীয়া ঐতিহাসিক স্মৃতি-চিহ্ন হ'ল 'ৰংঘৰ' । ৰাস্তাৰ এফালে ৰংঘৰ আৰু বিপৰীত ফালে 'তলাতলঘৰ' । ৰংঘৰটো ৰাস্তাৰপৰা চালে চাপৰ যেন দেখি । কিন্তু যেতিয়া আমি ইয়াৰ ওপৰত উঠিলোঁ, তেতিয়া দেখিলোঁ যে আমি ভবা ধৰণে ঘৰটো চাপৰ নহয় । এই ঘৰটোত উঠিয়ে হেনো আহোম স্বৰ্গদেউসকলে কুকুৰা-যুঁজ, ম'হ-যুঁজ আদি বিভিন্ন খেল বা ৰং চাইছিল ।

ৰংঘৰটো সজোৱাইছিল স্বৰ্গদেও প্ৰমত্ত সিংহই । ঘৰটো ঘূৰণীয়া ধৰণৰ । ভিতৰখন বেছ আহল-বহল । তলৰপৰা ওপৰলৈ উঠি যোৱা খট্‌খটীৰ কাষৰ বেৰখনত ক্ষয়প্ৰাপ্ত বিভিন্ন মূৰ্তি । অস্পষ্ট বাবে কিহৰ মূৰ্তি ধৰিব নোৱাৰি । বোধহয় দশ-অৱতাৰৰ । ইটাবোৰ আজি-কালিৰ দৰে নহয়, বহল আৰু পাতল । তাৰ ওপৰত ৰঙা মাটিৰ প্ৰলেপ । এই ৰঙা মাটিবোৰকে বোধহয় চিমেন্ট হিচাপে ব্যৱহাৰ কৰা হৈছিল । দুই তলাৰ এই ঘৰটোৰ ওপৰৰ পিনে ঢালাই কৰা যদিও সমান নহয় - এঢলীয়া । মূধৰপৰা ক্ৰমে চাপৰ ।

ইয়াৰ অইন এটি চাবলগীয়া বস্তু হৈছে - 'তলাতলঘৰ' । তলাতলঘৰটো সজোৱা হৈছিল স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ দিনত । এই তলাতল ঘৰটোৰপৰা হেনো দিখৌ নদীৰ পাৰেৰে গড়গাঁৱৰ ৰজাৰ কাৰেংঘৰলৈ ওলাব পাৰিছিল । শত্ৰু আক্ৰমণত ৰজাই যাতে ততালিকে শত্ৰুক প্ৰতিহত কৰিব পাৰে, তাৰ কাৰণেই এই ব্যৱস্থা । আমি তলাতলঘৰৰ ভিতৰৰ সুৰংগটো বিচাৰি নাপালোঁ । তলাতলঘৰলৈ সোমোৱা সুৰংগটোৰেহে আমি কিছুদূৰ সোমাইছিলোঁ । ভিতৰখন বৰ আন্ধাৰ আৰু জেকা আছিল । ভিতৰখন গবুৰ মূত আদিয়ে অপৰিষ্কাৰ কৰি ৰাখিছিল । এনেকুৱা এটি পুৰণি স্মৃতি-চিহ্ন চৰকাৰে ভালদৰে সংৰক্ষণৰ ব্যৱস্থা কৰিব নোৱাৰে নে ? লক্ষ্মৌৰ 'ভুলভুলা'ৰ লগত আমাৰ তলাতলঘৰৰ কিছু সাদৃশ্য আছে ।

ইয়াৰ পিছত আমি চাবলৈ গৈছিলোঁ - শিৱদ'ল । শিৱসাগৰ পুখুৰীৰ পাৰতে অৱস্থিত শিৱদ'ল । শিৱদ'লৰ দুয়ো পিনে আৰু দুটা সৰু সৰু দ'ল আছে - বিষ্ণুদ'ল আৰু দুৰ্গাদ'ল । শিৱসাগৰ পুখুৰীটো জয়সাগৰতকৈও ডাঙৰ ।

**121.** আহোম স্বৰ্গদেৱে ৰংঘৰত উঠি কি কৰিছিল ?

(1) ৰাইজক সম্বোধন কৰিছিল।

(2) কুকুৰা যুঁজ, ম'হ যুঁজ আদি চাইছিল।

(3) ৰং ৰহইচ কৰিছিল।

(4) জয়সাগৰ পুখুৰীৰ পিনে চাই মন জুৰ পেলাইছিল।

**122.** তলৰ উক্তি দুটাৰ শুদ্ধা শুদ্ধ বিচাৰ কৰি শুদ্ধ বিকল্পটো চিনাক্ত কৰাঁ –

১নং উক্তি : ৰংঘৰ আৰু তলাতলঘৰ ৰাস্তাৰ দুটা বিপৰীত ফালত অৱস্থিত

২নং উক্তি : ৰংঘৰটো দেখাতে ওখ যেন লাগে

(1) ১ অশুদ্ধ ২ শুদ্ধ

(2) দুয়োটা উক্তি শুদ্ধ

(3) ১ শুদ্ধ ২ অশুদ্ধ

(4) দুয়োটা উক্তি অশুদ্ধ

**123.** দশাৱতাৰৰ মূৰ্তি আৰু ভাস্কৰ্য ক'ত দেখা গৈছিল ?

(1) শিৱদৌল

(2) ৰংঘৰ

(3) তলাতলঘৰ

(4) বৰপেটাৰ কীৰ্তনঘৰ

**124.** লক্ষ্নৌৰ ভূলভূলাৰ লগত সাদৃশ্য আছে

(1) শিৱদৌলৰ

(2) তলতল ঘৰৰ

(3) তলাতল ঘৰৰ সুৰংগটোৰ

(4) ৰংঘৰৰ খটখটিটোৰ

**125.** শিৱসাগৰ পুখুৰীৰ পাৰত কেইটা দৌল আছে ?

(1) এটা (2) দুটা

(3) তিনিটা (4) চাৰিটা

**126.** "আকাশলংঘী জয়দ'ল" বুলি কওঁতে 'আকাশলংঘী' শব্দটো এটা

(1) সৰ্বনাম (2) বিশেষ্য

(3) উপমা (4) বিশেষণ

**127.** ৰংঘৰত চিমেণ্ট ৰূপে কিহৰ ব্যৱহাৰ কৰা হৈছিল বুলি পাঠটিত অনুমান কৰা হৈছে ?

(1) কঁৱাল

(2) বোকা

(3) ৰঙামাটি

(4) এটা বিশেষ ধৰণৰ বস্তু

**128.** জয়সাগৰ পুখুৰীৰ পানী সেইদিনা নীলা দেখা গৈছিল। কাৰণ –

(1) আকাশত সেইদিনা মেঘ নাছিল আৰু নীলা মেঘৰ ছাঁ আহি পুখুৰীৰ পানীত পৰিছিল।

(2) বতাহে কোবাই থকা পানীবোৰে টোৰ চিক্ষণী তুলিছিল।

(3) পুখুৰীৰ পানীৰ ওপৰেদি বতাহ বলি আছিল।

(4) সেইদিনাৰ আকাশ মেঘময় আছিল।

**নির্দেশ : তলত দিয়া ৰচনাখণ্ড মনোযোগেৰে পঢ়ি তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 129 ৰ পৰা 135 লৈ) শুদ্ধ উত্তৰটো বিকল্পসমূহৰ মাজৰপৰ চিনাক্ত কৰাঁ -**

টেটোৰপৰা যিটো বাট মেছুকাৰ পিনে গৈছে, সেই বাটটো তুলনামূলকভাৱে সংকীৰ্ণ আৰু থিয় । টেটো পাৰ হোৱাৰ পাছৰেপৰা অৰণ্য পথ যেন অধিক দুৰ্গম । পৰ্বতৰ থিয় দেৱালত অসংখ্য জলপ্ৰপাত দৃষ্টিগোচৰ হয় । এই সময়ত পৰ্বতৰ ঢালত এক প্ৰকাৰৰ ডাঙৰ গছত বগা বগা কিছুমান ফুল ফুলিছে । দূৰৰপৰা সেই অৰণ্যৰ শোভা অনুধাৱন কৰি লিখি বৰ্ণনা কৰাটো কঠিন । আমি লাহে লাহে অধিক ওপৰৰ পিনে উঠি যাব ধৰিছো । টেটোৰ পাছত ক্ৰমে গাপো, পাদুছা, লিপুছী, হিৰি, ৰাপুম পাৰ হৈ আমি ৰিগো নামৰ ঠাইত প্ৰৱেশ কৰিলো । ৰিগোত প্ৰৱেশ কৰাৰ লগে লগে যেন প্ৰকৃতি আচৰিত ধৰণেৰে পৰিৱৰ্তিত হৈছে । পাইন, মেপেল, জুনিপাৰৰ অৰণ্য আৰু নয়নজুৰোৱা 'লেণ্ডস্কেপ'ৰ শোভা যেন চাৰিওপিনে বিয়পি পৰিছে । নদীবোৰে যেন উগ্ৰ ৰূপ পৰিহাৰ কৰি শিলবোৰক খামুচি ধৰি চঞ্চলা-চপলা তৰুণীৰ দৰে ধাৱমান হৈছে । লাহে লাহে আমি ৰিগো পাৰ হৈ মেছুকাত প্ৰৱেশ কৰিলো । দেখিলো সন্ধিয়াৰ সময়ত মেছুকাৰ আকাশত কোনোবাই যেন আবিৰহে সানি দিছে । সেউজীয়া পৰ্বত আৰু নীলা জলধাৰাৰ মাজে মাজে সৰ্পিল ৰাস্তাটোৱে আমাক মেছুকা বজাৰৰ চ'কটোৰ মাজত উপস্থিত কৰালে । তাৰ কাষতেই এটা ধুনীয়া হোম-ষ্টে আছে । নাম - 'অলমোষ্ট হেৰিটেজ হোম-ষ্টে' । আমাৰ তাতেই থকাৰ কথা আছিল । তাত বেংগিয়া মেমৰ গাড়ীখন দেখা পাই নিশ্চিত হ'লো যে আমাৰ আস্তানা তাতেই পত্তন কৰা হৈছে । হোম-ষ্টেত পদাৰ্পণ কৰি আমাৰ বস্তু-বাহানি নমাই আমি নিজৰ নিজৰ কোঠা দখল কৰিলো । মেছুকাত অধিকতৰ মেম্বা জনজাতিৰ লোকে বসবাস কৰে যদিও আদি জনজাতিৰ ৰামো, পাইলেবো, বৰী, বোকাৰ আদি জনগোষ্ঠীৰ লোকো মেছুকাত আছে । মেম্বাসকলে উত্তৰ আৰু পূৰ্বত অৱস্থান কৰা তিব্বতৰপৰা প্ৰব্ৰজন কৰি অৰুণাচলৰ উত্তৰ অঞ্চলৰ কেইখনমান গাঁৱত বসতি স্থাপন কৰিছে । মেম্বাসকলৰ জনসংখ্যা অধিক নহয় । ১৯৮১ চনৰ লোকপিয়লমতে এওঁলোকৰ জনসংখ্যা আছিল মাত্ৰ ২,৬৭৯ জন । বৰ্তমানেও মেম্বাসকলৰ জনসংখ্যা বৰ এটা বৃদ্ধি পোৱা নাই । মেম্বাসকল মহাযানী বৌদ্ধ; সেয়েহে দয়া, মৈত্ৰী, পৰোপকাৰ আৰু অহিংসা তেওঁলোকৰ চৰিত্ৰত প্ৰতিফলিত হয় । আমি যিটো হোম-ষ্টেত আছো সেইটো মেম্বা লোকৰ ঘৰ । কাঠৰ চাংঘৰ । মেছুকাৰ পৰম্পৰাগত গৃহবোৰ যেনেকুৱা, এই গৃহটো তাৰ ব্যাতিক্ৰম নহয় । প্ৰতিটো কোঠাত ধুনীয়া আধুনিক শৌচালয়, গিজাৰ, ৰাণিং ৰাটাৰৰ ব্যৱস্থা আছে । কোঠাবোৰ আহল-বহল আৰু পৰম্পৰাগত সাজ-সজ্জাৰে সজ্জিত । মজিয়াত কাৰ্পেট পৰা আছে । গৃহটোৰ সন্মুখৰ এটা কোঠাত আছে 'লাখাং' অৰ্থাৎ বৌদ্ধ দেৱতা আৰু বুদ্ধদেৱৰ মূৰ্তি থকা পূজাৰ কোঠা । সকলো মিলি এটা পৰিপাটি ঘৰুৱা ব্যৱস্থা ।

129. 'সৰ্পিল ৰাস্তা' বুলি কওঁতে 'সৰ্পিল' মানে কি ?

(1) ওখোৰা মোখোৰা

(2) পাহাৰীয়া

(3) প্ৰকৃতিৰ মাজত থকা

(4) সাপৰ দেহৰ দৰে ভাঁজ লগা

130. তেওঁলোকৰ থকাৰ ব্যৱস্থা কোনে কৰিছিল ?

(1) অলমোষ্ট হেৰিটেজ হোমে

(2) বেংগিয়া মেমে

(3) গাপোৰে

(4) ৰাপুমে

131. মেম্বাৰ উপৰি মেছুকাত আন কি জনজাতিৰ লোক থাকে ?

(1) আদি

(2) ৰামে

(3) পাইলোবা

(4) বৰী

132. 'লাখাং' কি ?

(1) মেম্বাৰ আন এটানাম

(2) বুদ্ধদেৱৰ মূৰ্তি

(3) পূজাৰ কোঠা

(4) বৌদ্ধ দেৱতা

133. "মেম্বাসকল মহাযানী বৌদ্ধ; সেয়েহে দয়া, মৈত্ৰী, পৰোপকাৰ আৰু অহিংসা তেওঁলোকৰ চৰিত্ৰত প্ৰতিফলিত হয় ।" — এই বাক্যটো

(1) ভাৱবোধক বাক্য

(2) জটিল বাক্য

(3) সৰল বাক্য

(4) বৰ্ণনামূলক বাক্য

134. মেম্বাসকলৰ পূৰ্ব বাসস্থান কি ?

(1) তিব্বত

(2) অৰুণাচলৰ উত্তৰ অঞ্চল

(3) মেছুকা

(4) টেটো

135. 'হিৰি' নামৰ ঠাইটুকুৰা পৰ্যটকগৰাকীয়ে পাইছিল -

(1) টেটোৰ আগত

(2) লিপুছীৰ আগত

(3) ৰিগোৰ আগত

(4) পাদুছাৰ আগত

তলত দিয়া 136-ৰ পৰা 150 নং প্ৰশ্নৰ প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা শুদ্ধ উত্তৰটো চিনাক্ত কৰাঁ –

**136.** বিস্তৃত অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ ধাৰিত কৰে


(1) অচিনাকি শব্দৰ অৰ্থ উদ্ধাৰ কৰাৰ প্ৰতি।

(2) পাঠত থকা ব্যাকৰণগত উপকৰণসমূহৰ ব্যৱহাৰৰ প্ৰতি।

(3) কবিতা আবৃত্তিৰ প্ৰতি।

(4) পাঠ এটা পঢ়াৰ আনন্দ লাভৰ প্ৰতি।

**137.** এগৰাকী শিক্ষকে 'লেহ'ৰ বিষয়ে এটা পাঠ আৰম্ভ কৰিবলৈ লৈছে। পাঠটো আৰম্ভ কৰাৰ পূৰ্ব তেওঁ তলৰ চিত্ৰটো ব্লেকব'ৰ্ডত আঁকি লৈ আলোচনা আৰম্ভ কৰিছে




শিক্ষকে অঁকা এই ছবিখন হৈছে -

(1) ৰাজ্যিক মেপ

(2) ধাৰণাগত মেপ

(3) বিষয়গত মেপ

(4) মেপিং সঁজুলি

**138.** শিক্ষাৰ্থী এগৰাকীয়ে সফলতাৰে লিখিবলৈ শিকে তেতিয়া যেতিয়া লিখন পাঠটো

(1) শিক্ষকে শিক্ষাৰ্থীক শ্ৰুতলিপি দিয়ে।

(2) যেতিয়া পাঠটো শিশু উপযোগী আৰু অৰ্থবহ হয়।

(3) যেতিয়া পাঠটো শিক্ষকৰ পৰিপ্ৰেক্ষিত আৰু সংস্কৃতিৰ অনুকূল হয়।

(4) যেতিয়া উচ্চাৰিত ধ্বনি আৰু লিখিত ৰূপটো সম্পৰ্কযুক্ত হয়।

**139.** তলৰ কোনটো উৎপাদন পদ্ধতিৰ (Product approach) বাবে শুদ্ধ নহয়

(1) ই সম্পূৰ্ণভাবে শিক্ষক কেন্দ্ৰিক

(2) ই আচৰণাত্মক আৰ্হিৰ ওপৰত নিৰ্ভৰশীল

(3) ই সৰ্বশেষ উৎপাদনৰ ওপৰত গুৰুত্ব দিয়ে

(4) ই উৎপাদন আৰু ধাৰণাৰ উদ্‌গমনত গুৰুত্ব দিয়ে

**140.** এগৰাকী শিক্ষকে উৎপাদন পদ্ধতিৰ (Product Approach) দৃষ্টিৰে লিখন কাৰ্য সূচনা কৰিবলৈ যাওঁতে তলৰ কোনটো ব্যৱহাৰ কৰিব নালাগে ?

(1) মস্তিষ্ক মন্থন

(2) টোকা শ্ৰুতলিপি দিয়া

(3) খচৰা লিখন

(4) আৰ্হি কাকত পৰীক্ষণ

**141.** ভাষা শিক্ষণৰ শ্ৰেণীকোঠাত চৰিত্ৰ ৰূপায়ণ (Role Play) এটা অত্যাৱশ্যকীয় অংশ হোৱা উচিত। কাৰণ,

(1) ই ছাত্ৰ-ছাত্ৰীক মুকলিকৈ কথা পতাৰ সুযোগ প্ৰদান কৰে।

(2) ই হৈছে শ্ৰেণীকোঠা ব্যৱস্থাপনাৰ এটা ফলপ্ৰসু কৌশল।

(3) ই ছাত্ৰ-ছাত্ৰীক কাহিনী এটা কণ্ঠস্থ কৰাত সহায় কৰে।

(4) ই ছাত্ৰ-ছাত্ৰীক ভাষাৰ অৰ্থপূৰ্ণ ভাৱ বিনিময়ৰ ক্ষেত্ৰত সফলতা প্ৰদান কৰে।

**142.** **যেতিয়া এটি শিশুক এটা নিৰ্দ্ধাৰিত বিষয়ক লৈ এটা চুটি কবিতা লিখিবলৈ দিয়া হয় তেতিয়া তেওঁ ব্যৱহাৰ কৰে –**

(1) সৃজনীমূলক চিন্তা

(2) সহমৰ্মী চিন্তা

(3) সহানুভূতিসম্পন্ন চিন্তা

(4) সাংস্কৃতিক চিন্তা

**143.** **শিক্ষাৰ্থীক এগৰাকী ভাল পাঠক ৰূপে গঢ়ি তুলিবলৈ শব্দভাণ্ডাৰ সমৃদ্ধকৰণৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন । তলৰ কোনটো কৌশল শব্দভাণ্ডাৰ সমৃদ্ধকৰণৰ বাবে উপযুক্ত বিবেচিত হব পাৰে ?**

(1) শিক্ষাৰ্থীয়ে সমাৰ্থক শব্দ আৰু বিপৰীতাৰ্থক শব্দৰ বিস্তৃত তালিকা মুখস্থ কৰি ।

(2) নতুন শব্দ এটা পোৱাৰ লগে লগে অভিধানৰ সহায় ল'ব লাগে ।

(3) শিক্ষাৰ্থীয়ে এটা পাঠৰ জটিল শব্দবোৰ চিনাক্ত কৰি সেই শব্দবোৰৰ সহায়ত বাক্য ৰচনা কৰিব লাগে ।

(4) শিক্ষাৰ্থীয়ে শব্দ এটাৰ প্ৰয়োগ-প্ৰসংগৰ আধাৰত অৰ্থ অনুমান কৰিবলৈ শিকিব লাগে ।

**144.** **এগৰাকী শিক্ষকে শিক্ষাৰ্থী এগৰাকীক পৰ্যবেক্ষণ কৰি তেওঁৰ জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ ঘটনাৰ টোকা সংৰক্ষণ কৰিছে। ইয়াক কোৱা হয়**

(1) নিৰ্দেশন (rubrics)

(2) পত্ৰাধাৰ (portfolio)

(3) পৰ্যবেক্ষণ

(4) চমু বৃত্তান্ত টোকাকৰণ (anecdotal record)

**145.** **তলৰ কোনটো সফল কথন অনুশীলনৰ এটা লক্ষণ ?**

(1) শিক্ষাৰ্থীৰ অসমান অংশগ্ৰহণ ।

(2) শিক্ষাৰ্থীক বাৰ্তালাপ কৰিবলৈ সুযোগ প্ৰদান কৰা অনুশীলন ।

(3) শিক্ষাৰ্থীক মাত্ৰ লক্ষ্যভাষাত বাৰ্তালাপ কৰিবলৈ দিয়া ।

(4) মনোযোগ বিচৰাসকলক শ্ৰেণীকোঠাৰ ফলপ্ৰসু পৰিচালনাৰ বাবে অধিক কথা কোৱাৰ সুযোগ দিব লাগে ।

**146.** **ভাৰিগট্স্কিৰ (Vygotsky) মতে ভাষা শিকাৰ ক্ষেত্ৰত _______ হৈছে এটা অত্যাৱশ্যকীয় উপকৰণ ।**

(1) সামাজিক বাৰ্তা বিনিময়

(2) পাঠ্যপুথি

(3) ৰেডিঅ'

(4) অভিধান

**147. কোনটো কাৰ্যই কথন কৌশল অভ্যসনক বেছিকৈ সহায় কৰে ?**

(1) শিক্ষাৰ্থীয়ে এটা বিষয় আনুষ্ঠানিকভাৱে উপস্থাপন কৰা ।

(2) শিক্ষকে তেওঁলোকক উদ্দেশ্যপূৰ্ণ শ্ৰুতলিপি দিয়া ।

(3) শিক্ষাৰ্থীয়ে প্ৰদত্ত সূত্ৰৰ আধাৰত নিজৰ ধৰণেৰে কাহিনী কোৱা ।

(4) শিক্ষাৰ্থীয়ে প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা ।

**148. পঠনৰ কোনটো পৰ্যায়ত শিক্ষাৰ্থীয়ে পূৰ্ব জ্ঞান আৰু নতুনকৈ আহৰণ কৰা জ্ঞান তথা শ্ৰেণীকোঠাৰ বাহিৰৰ জগতখনৰ সৈতে সংযোগ স্থাপন কৰিব পৰা হয় ?**

(1) পূৰ্ব পঠন (Pre-reading)

(2) পঠন অৱস্থা (while reading)

(3) পঠনৰ আগতে (before reading)

(4) পৰৱৰ্তী পঠন (post reading)

**149. বোধবাদীসকলৰ (cognitivist) মতে শিশুৱে তেতিয়াহে ভাষা সফলতাৰে শিকে,**

(1) যেতিয়া শিক্ষকে শ্ৰেণীটো নিজৰ নিয়ন্ত্ৰণত ৰাখে আৰু ছাত্ৰ-ছাত্ৰীক কম সুযোগ প্ৰদান কৰে ।

(2) যেতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীক ব্যাকৰণৰ নিয়মসমূহ কণ্ঠস্থ কৰিবলৈ উৎসাহ যোগায় ।

(3) যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ব্লেকব'ৰ্ডৰ কথাবোৰ নিয়াৰিকৈ টোকা কৰি লয় ।

(4) যেতিয়া শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন দক্ষতাৰ সৈতে জড়িত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰে ।

**150. এগৰাকী ভাল শ্ৰোতাই**

(1) এটা শব্দ কিদৰে উচ্চাৰণ কৰিব লাগে বুজে ।

(2) কিদৰে অভিপ্ৰেত উদ্দেশ্য ব্যৱহৃত হৈছে চিহ্নিত কৰিব পাৰে ।

(3) উত্থাপিত প্ৰশ্নসমূহৰ সঠিক উত্তৰ দিব পাৰে ।

(4) প্ৰতিটো শব্দ শুদ্ধকৈ উচ্চাৰণ কৰিব পাৰে ।

## SPACE FOR ROUGH WORK

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :**

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে । প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পে'নেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব । সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব ।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌শ্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই । এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব ।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।
12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें ।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉल पॉइन्ट पेन** से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
5. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी । इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए ।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्वीच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए । इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित ।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान हाज़िरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
12. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल / कक्ष छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY:**

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his / her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his / her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic / Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***